# REGIONAL NEWS UNIT
## ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 26-05-2024
**Time :** 1845 Hrs

# *Assamese Evening Bulletin*
0000000

১। লোকসভা নিৰ্বাচনৰ সপ্তম তথা অন্তিম পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে পূৰ্ণ গতিত প্ৰচাৰ অব্যাহত। জ্যেষ্ঠ বিজেপি নেতা নৰেন্দ্ৰ মোডী আৰু সমাজবাদী পাৰ্টিৰ নেতা অখিলেশ যাদৱৰ উত্তৰ প্ৰদেশত প্ৰচাৰ কাৰ্যসূচীত অংশগ্ৰহণ। কংগ্ৰেছ নেতা ৰাহুল গান্ধীৰ হিমাচল প্ৰদেশত নিৰ্বাচনী প্ৰচাৰ।

২। বৰ্ধিত তাপমাত্ৰাৰ পৰিপ্ৰেক্ষিতত ৰাজ্যৰ বিভিন্ন জিলাত বিদ্যালয়ৰ পাঠদানৰ সময়সূচী পুনৰনিৰ্ধাৰণ।

৩। গ্ৰীষ্মকালীন ৰোগ প্ৰতিৰোধৰ বাবে স্বাস্থ্য বিভাগৰ সতৰ্কতামূলক পদক্ষেপ। উজনি অসমত এনকেফেলাইটিছ্ ৰোগ প্ৰতিৰোধৰ বাবে বিশেষজ্ঞ দল প্ৰেৰণ।

৪। ৰেমল ঘূৰ্ণীৰ বাবে ভাৰতীয় বতৰ বিজ্ঞান বিভাগৰ সতৰ্কতা জাৰি। আজি মাজনিশা ঘূৰ্ণী বতাহৰ ভাৰতত প্ৰবেশৰ সম্ভাৱনা।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত আজি ছানৰাইজাৰ্ছ হায়দৰাবাদ কলকাতা নাইট ৰাইডাৰ্ছৰ মুখামুখি।

0000000

দেশত লোকসভা নিৰ্বাচনৰ সপ্তম পৰ্যায়ৰ বাবে প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে। অন্তিম পৰ্যায়ৰ ভোটগ্ৰহণৰ পূৰ্বে বিভিন্ন দলৰ নেতাসকলে ভোটদাতাৰ মন জয় কৰাৰ বাবে আপ্ৰাণ চেষ্টা চলোৱা পৰিলক্ষিত হৈছে। এই পৰ্যায়ত পহিলা জুনত ৭ খন ৰাজ্য আৰু এটা কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৫৭টা সমষ্টিত ভোটগ্ৰহণ কৰা হ'ব।

সপ্তম পৰ্যায়ত মুঠ ৯০৪ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি উত্তৰ প্ৰদেশৰ মিৰ্জাপুৰত এখন নিৰ্বাচনী সভাত ভাগ লয়। শ্ৰীমোদীয়ে দাবী কৰে যে, সমাজবাদী পাৰ্টী আৰু কংগ্ৰেছে ভোটবেংকৰ কাৰণেহে কাম কৰাৰ বিপৰীতে এন ডি এয়ে দুখীয়া, দলিত আৰু অনগ্ৰসৰ জনসাধাৰণৰ প্ৰতি সমৰ্পিত হৈ কাম কৰিছে। সমাজবাদী পাৰ্টীক তীব্ৰ সমালোচনা কৰি শ্ৰীমোদীয়ে আইন শৃংখলা আৰু সমাজবাদী পাৰ্টী পৰস্পৰৰ পৰিপন্থী বুলি দাবী কৰে।

বৈঠকত অংশগ্ৰহণ কৰি উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা যোগী আদিত্য নাথে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত দেশৰ জনসাধাৰণে এখন নতুন ভাৰত প্ৰত্যক্ষ কৰাৰ সুযোগ লাভ কৰিছে বুলি মন্তব্য কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে আজি ৰাজ্যখনৰ ঘোছি আৰু বান্সগাঁৱতো নিৰ্বাচনী সভাক সম্বোধন কৰে।

আনহাতে, সমাজবাদী সপ্তম পৰ্যায়ৰ ভোটগ্ৰহণৰ পূৰ্বে সমাজবাদী পাৰ্টীৰ জ্যেষ্ঠ নেতা অখিলেশ যাদৱে আজি চালেমপুৰ আৰু বলিয়াত প্ৰচাৰ চলায়। জনসাধাৰণক নিৰন্তৰ মিথ্যাচাৰেৰে পৰিচালিত কৰা বুলি দাবী কৰি শ্ৰীযাদৱে শাসক পক্ষক তীব্ৰ সমালোচনা কৰে।

কংগ্ৰেছৰ জ্যেষ্ঠ নেতা ৰাহুল গান্ধীয়েও আজি হিমাচল প্ৰদেশত চিমলা সংসদীয় সমষ্টিৰ অধীনত নাহান আৰু চিৰমৌৰ জিলাত প্ৰচাৰত ভাগ লয়। কংগ্ৰেছ প্ৰাৰ্থী বিনোদ চুলতানপুৰীৰ হকে প্ৰচাৰ চলাই কংগ্ৰেছ নেতাগৰাকীয়ে কয় যে, এইবাৰৰ নিৰ্বাচনত কংগ্ৰেছে সংবিধান ৰক্ষাৰ হকে যুঁজত অৱতীৰ্ণ হৈছে। তেওঁ লগতে যোৱা বছৰ ৰাজ্যখন ভালেমান প্ৰাকৃতিক বিপৰ্যয়ৰ সন্মুখীন হোৱা স্বত্তেও কেন্দ্ৰীয় চৰকাৰৰ পৰা কোনো ধৰণৰ সাহায্য লাভ কৰা নাই বুলি সমালোচনা কৰে। ৰাহুল গান্ধীয়ে আজি হামিৰপুৰ সংসদীয় সমষ্টিতো আন এখন নিৰ্বাচনী সভাত ভাগ লয়।

০০০০০০

ৰাজ্যত অব্যাহত থকা গ্ৰীষ্ম প্ৰবাহৰ পৰিপ্ৰেক্ষিতত কেইবাখনো জিলাত বিদ্যালয়ৰ পাঠদানৰ সময়-সূচী সালসলনিৰ নিৰ্দেশ জাৰি কৰা হৈছে। যোৰহাট জিলাত উৎকট গৰমৰ পৰিপ্ৰেক্ষিতত জিলা প্ৰশাসনৰ নিৰ্দেশ মৰ্মে বিদ্যালয়সমূহৰ পৰিদৰ্শকে বিদ্যালয় পাঠদানৰ সময়-সূচী সন্দৰ্ভত কিছু নিৰ্দেশনা জাৰি কৰিছে। এই অনুসৰি সকলো চৰকাৰী, প্ৰাদেশিকীকৃত আৰু ব্যক্তিগত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক গৰমৰ পৰা সকাহ দিয়াৰ উদ্দেশ্যেৰে বিদ্যালয়ৰ স্বাভাৱিক সময়-সূচী আগুৱাই আনি নতুন সূচী নিৰ্দ্ধাৰণ কৰা হৈছে। নিৰ্দেশনা অনুসৰি নিম্ন প্ৰাথমিক বিদ্যালয়সমূহত পুৱা চাৰে ৭ বজাৰ পৰা দুপৰীয়া ১২ বজালৈ, উচ্চ প্ৰাথমিক বিদ্যালয়সমূহত পুৱা চাৰে ৭ বজাৰ পৰা দুপৰীয়া চাৰে ১২ বজালৈ আৰু উচ্চ তথা উচ্চতৰ মাধ্যমিক বিদ্যালয়সমূহত পুৱা চাৰে ৭ বজাৰ পৰা ১ বজালৈ পাঠদানৰ সময়-সূচী নিৰ্ধাৰণ কৰা হৈছে। ইয়াৰ লগতে পুৱা প্ৰাৰ্থনা সভা ছাঁ পৰা ঠাই অথবা শ্ৰেণীকোঠাত অনুষ্ঠিত কৰাৰ লগতে প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ বাবে বিশুদ্ধ খোৱাপানীৰ ব্যৱস্থা, শ্ৰেণীকোঠাসমূহত বিজুলী পাংখাৰ সুনিশ্চিতি কৰাৰ বিষয়ে বিদ্যালয় পৰিদৰ্শকে নিৰ্দেশ জাৰি কৰে। নিৰ্দেশনাটোত ছাত্ৰ-ছাত্ৰীসকলৰ সাজ-পোছাকৰ ক্ষেত্ৰত ব্লেজাৰ, কোট, টাই আদি পৰিধান কৰাৰ পৰা বিৰত ৰখাৰ লগতে জোতা পিন্ধি অস্বস্তি অনুভৱ কৰিলে চেণ্ডেল পৰিধান কৰিব পাৰিব বুলি কোৱা হৈছে। গৰমৰ সময়ছোৱাত বিদ্যালয় কৰ্তৃপক্ষই ছাত্ৰ-ছাত্ৰীসকলৰ বাবে কোনো ধৰণৰ বৰ্হিক্ৰীড়াজাতীয় কাৰ্যসূচী আয়োজন কৰিব নোৱাৰিব বুলিও নিৰ্দেশনাটোত কোৱা হৈছে। বিদ্যালয় চৌহদৰ সমীপত আইচক্ৰীম, ফুস্কাৰ দৰে ভজা-পোৰা জাতীয় খাদ্য বিক্ৰী কৰাৰ ক্ষেত্ৰত বিদ্যালয় কৰ্তৃপক্ষই তীক্ষ্ণ দৃষ্টি ৰখাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলক এইবোৰ খোৱাৰ পৰা বিৰত ৰাখিবলৈ বিদ্যালয় পৰিদৰ্শকে আহ্বান জনাইছে। এই নিৰ্দেশনা কাইলৈৰ পৰা পৰৱৰ্ত্তী আদেশ নিদিয়া পৰ্যন্ত বাহাল থাকিব।

নলবাৰী জিলাতো জিলাখনৰ অতিৰিক্ত আয়ুক্তই দিয়া নিৰ্দেশ অনুযায়ী নিম্ন প্ৰাথমিক বিদ্যালয়সমূহ চাৰে ৭ বজাৰ পৰা দুপৰীয়া চাৰে ১১ বজালৈ, উচ্চ প্ৰাথমিক বিদ্যালয়সমূহ পুৱা চাৰে ৭ বজাৰ পৰা দুপৰীয়া ১১ বজালৈ আৰু উচ্চ তথা উচ্চতৰ মাধ্যমিক বিদ্যালয়সমূহৰ কাৰণে পুৱা চাৰে ৭ বজাৰ পৰা দুপৰীয়া চাৰে ১২ বজালৈ পাঠদানৰ সময়সূচী পুনঃনিৰ্ধাৰণ কৰা হৈছে। ইয়াৰ লগতে বিদ্যালয়সমূহত পুৱা প্ৰাৰ্থনা সভা বিদ্যালয় প্ৰাঙ্গনৰ পৰিৱৰ্তে শ্ৰেণীকোঠাত অনুষ্ঠিত কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। কাইলৈৰ পৰা কাৰ্যকৰী হ'বলগীয়া নিৰ্দেশনাটো অনুযায়ী বিদ্যালয় কৰ্তৃপক্ষক প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ বাবে খোৱাপানীৰ ব্যৱস্থা কৰিবলৈ কোৱা হৈছে।

কামৰূপ মহানগৰ, চিৰাং আৰু শোণিতপুৰ জিলাতো জিলা প্ৰশাসনে জাৰি কৰা নিৰ্দেশনা অনুসৰি জিলাখনৰ প্ৰাথমিক বিদ্যালয়ৰ পাঠদানৰ সময় পুৱা চাৰে ৭ বজাৰ পৰা দুপৰীয়া ১২ বজালৈ নিৰ্ধাৰণ কৰা হৈছে। একেদৰে মাধ্যমিক বিদ্যালয়ৰ পাঠদানৰ সময় পুৱা চাৰে ৭ বজাৰ পৰা দুপৰীয়া চাৰে ১২ বজালৈ, উচ্চ আৰু উচ্চতৰ মাধ্যমিকৰ পাঠদানৰ সময় পুৱা চাৰে ৭ বজাৰ পৰা দুপৰীয়া ১ বজালৈ নিৰ্ধাৰণ কৰা হৈছে।

একেদৰে, মৰিগাঁও জিলাৰ নিম্ন প্ৰাথমিক বিদ্যালয়ৰ পাঠদানৰ সময় পুৱা ৭ বাজি ৩০ মিনিটৰ পৰা ১১ বাজি ১৫ মিনিটলৈ আৰু উচ্চ প্ৰাথমিক শ্ৰেণীৰ পাঠদানৰ সময় পুৱা ৭ বাজি ৩০ মিনিটৰ পৰা দুপৰীয়া ১ বাজি ১৫ মিনিটলৈ নিৰ্ধাৰণ কৰা হৈছে। একেদৰে জিলাখনৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পাঠদানৰ সময় পুৱা ৭ বাজি ৩০ মিনিটৰ পৰা দুপৰীয়া ১ বাজি ৫৫ মিনিটলৈ ধাৰ্য কৰা হৈছে।

বঙাইগাঁও জিলাৰ নিম্ন প্ৰাথমিক বিদ্যালয়ৰ পাঠদানৰ সময় পুৱা ৭ বজাৰ পৰা ১০ বজালৈ আৰু মধ্য ইংৰাজী বিদ্যালয়ৰ পাঠদানৰ সময় পুৱা ৭ বজাৰ পৰা ১১ বজালৈ নিৰ্ধাৰণ কৰা হৈছে। একেদৰে জিলাখনত উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পাঠদানৰ সময় পুৱা ৭ বজাৰ পৰা দুপৰীয়া ১২ বজালৈ নিৰ্ধাৰণ কৰা হৈছে।

ইপিনে, কাৰ্বি আংলং জিলাৰ প্ৰাথমিক বিদ্যালয়ৰ পাঠদানৰ সময় পুৱা ৮ বজাৰ পৰা দুপৰীয়া চাৰে ১২ বজালৈ নিৰ্ধাৰণ কৰা হৈছে। জিলাখনৰ মাধ্যমিক আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ৰ পাঠদানৰ সময় পুৱা ৮ বজাৰ পৰা দুপৰীয়া ১ বজালৈ, উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পাঠদানৰ সময় পুৱা ৮ বজাৰ পৰা দুপৰীয়া ডেৰ বজালৈ নিৰ্ধাৰণ কৰা হৈছে।

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে বিদ্যালয়সমূহক নিৰ্দেশসমূহ মানি চলিবলৈ আহ্বান জনাইছে লগতে এই সময়ত হ'ব পৰা ৰোগৰ পৰা মুক্ত হৈ থাকিবলৈ উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিবলৈ পৰামৰ্শ আগবঢ়াইছে।

০০০০০

স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী কেশৱ মহন্তই আজি ৰাজ্যত বিশেষকৈ উজনি অসমত প্ৰাদুৰ্ভাৱ ঘটা এনকেফেলাইটিছ ৰোগৰ বিষয়ে স্বাস্থ্য বিভাগে গ্ৰহণ কৰা প্ৰতিৰোধমূলক ব্যৱস্থা সম্পৰ্কে সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰে। উজনি অসমৰ যোৰহাট, শিৱসাগৰ, মাজুলি আৰু গোলাঘাট জিলালৈ গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ পৰা এটা বিশেষজ্ঞৰ দল প্ৰেৰণ কৰা হৈছে বুলি স্বাস্থ্য মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। জিলাসমূহত ভিতৰুৱা অঞ্চলসমূহতো মহৰ আক্ৰমণ প্ৰতিহত কৰিবলৈ ধোঁৱা দিয়াৰ ব্যৱস্থা কৰা হৈছে বুলি শ্ৰীমহন্তই জানিবলৈ দিয়ে। ইয়াৰ লগতে বিশেষজ্ঞৰ দলটোৱে ৰোগৰ উৎস আৰু প্ৰসাৰৰ কাৰণ বিশ্লেষণ কৰিব বুলি তেওঁ সংবাদমাধ্যমৰ আগত প্ৰকাশ কৰে। ইতিমধ্যে ৪ খন জিলাৰ আয়ুক্তৰ সৈতে পোনপটীয়াকৈ কথা পাতিছে বুলি কলিয়াবৰত আজি স্বাস্থ্যমন্ত্ৰীগৰাকীয়ে সংবাদ মাধ্যমক অৱগত কৰে।

০০০০০০০০

যোৰহাট চিকিৎসা মহাবিদ্যালয় সভাকক্ষত যোৰহাট জিলা আয়ুক্তৰ সভাপতিত্বত গ্ৰীষ্মকালীন ৰোগ প্ৰতিৰোধ সন্দৰ্ভত এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত কৰা হয়। জিলাখনত গ্ৰীষ্মকালীন ৰোগ তথা মহ, মাখি আদিৰ দ্বাৰা সংক্ৰমিত হ'ব পৰা বিভিন্ন ৰোগ নিৰ্মূল কৰাৰ ক্ষেত্ৰত গ্ৰহণ কৰিবলগীয়া ব্যৱস্থা সন্দৰ্ভত জিলা আয়ুক্তগৰাকীয়ে স্বাস্থ্য বিভাগ আৰু চিকিৎসা মহাবিদ্যালয় কৰ্তৃপক্ষক কিছু গুৰুত্বপূৰ্ণ নিৰ্দেশনা প্ৰদান কৰে। জিলাখনৰ বিভিন্ন ৰাজহ চক্ৰসমূহত কাৰ্যবাহী দণ্ডাধীশসকলৰ উদ্যোগত এই সন্দৰ্ভত সজাগতামূলক সভা অনুষ্ঠিত কৰাৰ লগতে অন্যান্য জনসচেতনতামূলক ব্যৱস্থা লোৱাৰ বিষয়ে জিলা আয়ুক্তগৰাকীয়ে নিৰ্দেশ দিয়ে।

০০০০

রাজ্যৰ অন্যান্য প্ৰান্তৰ লগতে তামুলপুৰ জিলাতো গ্ৰীষ্ম দাহত জনসাধাৰণ বিভিন্ন ৰোগত আক্ৰান্ত হৈছে। হাপানী, ডায়েৰীয়াৰ লগতে সাধাৰণ ভাইৰেল জ্বৰত শিশু আৰু বৃদ্ধ ব্যক্তিসকল চিকিৎসালয়ত ভৰ্তি হ্বলগীয়া হৈছে। এই ক্ষেত্ৰত ৰাইজক বিভিন্ন ক্ষেত্ৰত সতৰ্ক হ'বলৈ নাগ্ৰিজুলি আদৰ্শ চিকিৎসালয়ৰ উপ অধীক্ষক ডাঃ দিগন্ত কুমাৰ বড়োৱে সংবাদ মাধ্যমযোগে আহ্বান জনায়। জনসাধাৰণক বিশুদ্ধ খোৱাপানীৰ লগতে নাৰিকলৰ পানী, নিমু চৰবত ইত্যাদি খাবলৈ পৰামৰ্শ আগবঢ়াই উপ অধীক্ষকগৰাকীয়ে ধুলি বালি আৰু প্ৰদূষণৰ ফলত এই সময়ছোৱাত ভাইৰেল ৰোগসমূহ দেখা দিছে বুলি মত প্ৰকাশ কৰে।

০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে উত্তৰ বঙ্গোপসাগৰত সৃষ্টি হোৱা ৰেমল নামৰ ঘূৰ্ণিবতাহজাক পশ্চিমবংগৰ সাগৰ দ্বীপপুঞ্জৰ পৰা প্ৰায় ২৭০ কিলোমিটাৰ দক্ষিণ-দক্ষিণ পূৱত প্ৰচণ্ড ঘূৰ্ণিবতাহলৈ ৰূপান্তৰিত হৈছে বুলি জানিবলৈ দিছে। বতৰ বিজ্ঞান বিভাগে প্ৰকাশ কৰা মতে বতাহজাক উত্তৰ দিশলৈ গতি কৰি, প্ৰতিঘণ্টাত ১১০ ৰ পৰা ১৩৫ কিলোমিটাৰ বেগেৰে আজি মাজনিশা বাংলাদেশ আৰু কাষৰীয়া পশ্চিমবংগৰ উপকূলভাগ পাৰ হৈ সাগৰ দ্বীপপুঞ্জত খুন্দা মৰাৰ সম্ভাৱনা আছে।

ইপিনে, কলকাতা বিমান বন্দৰ কৰ্তৃপক্ষই ঘূৰ্ণি বতাহজাকৰ সম্ভাব্য প্ৰভাৱলৈ চাই আজি দুপৰীয়াৰ পৰা ২১ ঘণ্টাৰ বাবে বিমানৰ চলাচল বন্ধ ৰখাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। ভাৰতীয় বিমান বন্দৰ প্ৰাধিকৰণৰ মুখপাত্ৰই প্ৰকাশ কৰা মতে, এই সময়ছোৱাত বন্দৰটোৰ পৰা অহা যোৱা কৰা ৩৯৪ খন ঘৰুৱা আৰু আন্তৰ্ৰাষ্ট্ৰীয় বিমানৰ সেৱা বন্ধ থাকিব। ইতিমধ্যে ভাৰতীয় নৌ বাহিনীয়ে সম্ভাব্য বিপদৰ সন্মুখীন হ'ব পৰাকৈ তাৎক্ষণিক তথা প্ৰয়োজনীয় সাহায্য প্ৰদানৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে। নৌ বাহিনীয়ে ক্ষতিগ্ৰস্ত লোকৰ বাবে দুৰ্যোগ সাহায্য আৰু চিকিৎসা তথা মানৱীয় সাহায্যৰ সুবিধাৰ্থে দুখন জাহাজ সাজু কৰি ৰাখিছে।

বংগোপসাগৰত সৃষ্ট এই ঘূৰ্ণিৰ প্ৰভাৱত বঙাইগাঁও জিলাত ব্ৰহ্মপুত্ৰ, আই আৰু মানাহ নৈত সম্ভাব্য দুৰ্ঘটনা প্ৰতিহত কৰিবৰ বাবে জিলাখনৰ দণ্ডাধীশে ভাৰতীয় ফৌজদাৰী আইনৰ ১৪৪ ধাৰাৰ অধীনত সাধাৰণ আৰু যন্ত্ৰচালিত নাৱৰ চলাচলৰ ক্ষেত্ৰত নিষেধাজ্ঞা জাৰি কৰিছে। এই নিষেধাজ্ঞা আজি বিয়লিৰ পৰা অহা ৩১ মে'লৈ বাহাল থাকিব।

০০০০

ছানৰাইজাৰ্ছ হায়দৰাবাদ আজি চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত হ'বলগীয়া আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০

লোকসভা নিৰ্বাচনৰ পঞ্চম পৰ্যায়ত ২০ মে'ত আৰু ষষ্ঠ পৰ্যায়ৰ বাবে কালি ভোটগ্ৰহণ শান্তিপূৰ্ণভাৱে সম্পন্ন, কেন্দ্ৰীয় আইন আৰু ন্যায় মন্ত্ৰালয়ৰ দুদিনীয়া কাৰ্যসূচীৰে আই আই টি গুৱাহাটীত **ফৌজদাৰী ন্যায় ব্যৱস্থাৰ প্ৰশাসনত ভাৰতত প্ৰগতিশীল পথ** শীৰ্ষক সন্মিলনৰ আয়োজন, কাঁ চলচ্চিত্ৰ মহোৎসৱত এইবাৰ অসমৰ পাৰ্থ সাৰথি মহন্তৰ পৰিচালিত **লাচিত দা ৱাৰিয়ৰ** নামৰ চলচ্চিত্ৰ প্ৰদৰ্শন আদি বাতৰিয়ে বিগত সপ্তাহত আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰিত স্থান লাভ কৰিছে।

লোকসভা নিৰ্বাচনৰ পঞ্চম পৰ্যায়ত দেশৰ ৬ খন ৰাজ্য আৰু দুটা কেন্দ্ৰীয়শাসিত অঞ্চলৰ ৪৯ টা সমষ্টিৰ বাবে যোৱা ২০ মে'ত অনুষ্ঠিত ভোটগ্ৰহণ শান্তিপূৰ্ণভাৱে সম্পন্ন হয়। উল্লেখযোগ্য যে পঞ্চম পৰ্যায়ত

উত্তৰ প্ৰদেশৰ ১৪ টা, মহাৰাষ্ট্ৰৰ ১৩ টা, পশ্চিমবংগৰ সাতটা, ওড়িশা আৰু বিহাৰৰ ৫ টাকৈ, ঝাৰখণ্ডৰ তিনিটা আৰু জম্মু-কাশ্মীৰ তথা লাডাখৰ এটাকৈ সমষ্টিত ভোটগ্ৰহণ কৰা হয়। এই পৰ্যায়ত ৬৯৫ গৰাকী প্ৰাৰ্থী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হয়।

ইপিনে, লোকসভা নিৰ্বাচনৰ ষষ্ঠ পৰ্যায়ত দেশৰ ৬ খন ৰাজ্য আৰু দুটা কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৫৮টা সমষ্টিত ভোটগ্ৰহণ সম্পন্ন হয়। ইয়াৰ ভিতৰত উত্তৰ প্ৰদেশৰ ১৪টা, হাৰিয়ানাৰ ১০, বিহাৰৰ ৮টা, পশ্চিমবংগৰ ৮টা, দিল্লীৰ ৭টা, ওড়িশাৰ ৬টা, ঝাৰখণ্ডৰ ৪টা আৰু জম্মু কাশ্মীৰৰ এটা সমষ্টি আছে।

এই পৰ্যায়ত মুঠ ৮৮৯গৰাকী প্ৰাৰ্থী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হোৱাৰ লগতে এক লাখ ১৪ হাজাৰ ভোটকেন্দ্ৰত ১১ কোটিৰো অধিক ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰে।

০০০০

কেন্দ্ৰীয় আইন আৰু ন্যায় মন্ত্ৰালয়ে দুদিনীয়া কাৰ্যসূচীৰে আই আই টি গুৱাহাটীত আয়োজন কৰা **ফৌজদাৰী ন্যায় ব্যৱস্থাৰ প্ৰশাসনত ভাৰতত প্ৰগতিশীল পথ** শীৰ্ষক সন্মিলনখনৰ যোৱা ১৯ মে'ত সামৰণি পৰে। সামৰণি অনুষ্ঠানত ৰাজ্যপাল গুলাব চান্দ কাটাৰীয়াই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। এই অনুষ্ঠানত ন্যায়াধীশ মানস ৰঞ্জন পাঠক, অৱসৰপ্ৰাপ্ত ন্যায়াধীশ মীৰ আলফাজ আলী, ভাৰতীয় আইন প্ৰতিষ্ঠানৰ সঞ্চালক অধ্যাপক ভি কে আহুজাকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। সন্মিলনৰ প্ৰথম দিনাৰ উদ্বোধনী কাৰ্যসূচীত আইন আৰু ন্যায় মন্ত্ৰালয়ৰ কেন্দ্ৰীয় ৰাজ্যমন্ত্ৰী অৰ্জুন ৰাম মেঘৱালে অংশগ্ৰহণ কৰিছিল।

০০০০

ৰাজ্যৰ ভিন্ন প্ৰান্তত যোৱা ১৯ মে'ৰ নিশা হোৱা ধুমুহা, বৰষুণ আৰু বজ্ৰপাতত কেইবাটাও পৰিয়াল গৃহহীন হোৱাৰ লগতে ব্যৱসায়িক প্ৰতিষ্ঠান আৰু ৰাজহুৱা সা-সম্পত্তিৰ বিস্তৰ ক্ষতি হয়। ধুমুহাৰ ফলত ঠায়ে ঠায়ে প্ৰকাণ্ড গছ বাগৰি পৰাত বিদ্যুৎ সেৱা আৰু যাতায়াত ব্যৱস্থা ব্যাহত হয়।

০০০০

বিভিন্ন কাৰণত বিদ্যালয় ত্যাগ কৰা শিক্ষাৰ্থীসকলক পুনৰ বিদ্যালয়লৈ প্ৰত্যাৱৰ্তনৰ বাবে মৰিগাঁও জিলাৰ জাগীৰোডৰ সীতাজখলা দুগ্ধ উৎপাদক সমবায় সমিতিয়ে বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। **পাঠ আমি পঢ়িমেই, দেশ আমি গঢ়িমেই** শীৰ্ষক শ্লোগানেৰে সমবায় সমিতিখনে অভিযানৰ অংশ হিচাপে ইতিমধ্যে ৩০ গৰাকী শিক্ষাৰ্থীক বিনামূলীয়া শিক্ষা প্ৰদান কৰিছে। বৃত্তিগত গো সেৱাৰ শতবৰ্ষত পদাৰ্পন কৰাৰ সময়ত সীতাজখলাৰ কৰ্তৃপক্ষই শৈক্ষিক সজাগতা অভিযান আৰম্ভ কৰিছে।

বিধি বলৱৎকাৰী সঞ্চালকালয়ে দিল্লীৰ মুখ্যমন্ত্ৰী তথা আম আদমী পাৰ্টীৰ মুখ্য সমন্বয়ক অৰবিন্দ কেজৰিৱালৰ ১৪ দিনীয়া ন্যায়িক জিম্মাৰ ম্যাদ বৃদ্ধি কৰাৰ বাবে আদালতত আবেদন দাখিল কৰে। উল্লেখযোগ্য যে মুখ্যমন্ত্ৰীগৰাকীৰ অন্তৰ্বৰ্তীকালীন জামিনৰ ম্যাদ অহা ২ জুনত উকলি যাব। সুৰা কেলেংকাৰীৰ গোচৰত উচ্চতম ন্যায়ালয়ে কেজৰিৱালক ১ জুনলৈ অন্তৰ্বৰ্তীকালীন জামিন প্ৰদান কৰিছিল। অহা ২ জুনত তেওঁ পুনৰ আত্মসমৰ্পণ কৰিব লাগিব।

০০০০

কাঁ চলচ্চিত্ৰ মহোৎসৱত এইবাৰ অসমৰ পাৰ্থ সাৰথি মহন্তৰ পৰিচালিত **লাচিত দ্যা ৱাৰিয়ৰ** নামৰ চলচ্চিত্ৰখন প্ৰদৰ্শিত হৈছে। ১৪ মে'ৰ পৰা চলি থকা এই মহোৎসৱৰ প্ৰতিযোগিতা শাখাৰ বাহিৰেও অন্যান্য শাখাসমূহত ভাৰতীয় চলচ্চিত্ৰ প্ৰদৰ্শিত হৈছে। যোৱা ১৮ মে'ত **লাচিত দা ৱাৰিয়ৰ** চলিচ্চিত্ৰখন বিশ্বৰ বিভিন্ন

প্ৰান্তৰ চলচ্চিত্ৰ প্ৰেমীয়ে উপভোগ কৰে। পাৰ্থ সাৰথি মহন্তৰ কাহিনী তথা পৰিচালনা আৰু মীনা মহন্ত তথা ইন্দ্ৰাণী বৰুৱাৰ প্ৰযোজনাৰে এই চলচ্চিত্ৰখন মহাবীৰ লাচিতৰ জীৱন আৰু কৰ্ম সন্দৰ্ভত নিৰ্মাণ কৰা হৈছে। চলচ্চিত্ৰখনত বীৰগৰাকীৰ নৈপুন্য, অতুলনীয় শৌৰ্য আৰু গভীৰ দেশপ্ৰেমক প্ৰতিফলিত কৰা হৈছে।

০০০০

হেলিকপ্টটাৰ দুৰ্ঘটনাৰ ফলত মৃত্যু ঘটা ইৰাণৰ ৰাষ্ট্ৰপতি ড০ ছৈয়দ ইব্ৰাহিম ৰাইছি আৰু বিদেশ মন্ত্ৰী আমিৰ আব্দুল্লাহিয়ানৰ প্ৰতি সন্মানাৰ্থে কেন্দ্ৰীয় চৰকাৰে যোৱা ২১ মে'ত ৰাষ্ট্ৰীয় শোক ঘোষণা কৰে। ইৰাণৰ ৰাষ্ট্ৰপতি ইব্ৰাহিম ৰাইছি আৰু বৈদেশিক মন্ত্ৰী হুছেইন আমিৰ আব্দুল্লাহিয়ানৰ কৰুণ মৃত্যুত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গভীৰ শোক প্ৰকাশ কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰী মোদীয়ে ভাৰত-ইৰাণৰ দ্বিপাক্ষিক সম্পৰ্ক শক্তিশালী কৰাৰ ক্ষেত্ৰত তেওঁৰ অৱদান সদায় স্মৰণীয় হৈ থাকিব বুলি উল্লেখ কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে এই দুখৰ সময়ছোৱাত ইৰাণৰ সৈতে ভাৰত সমভাগী বুলি মন্তব্য কৰে।

০০০

ৰাজ্য চৰকাৰৰ তত্বৱধানত জনস্বাস্থ্য কাৰিকৰী বিভাগ শোণিতপুৰৰ উদ্যোগত তেজপুৰত তিনি দিনীয়াকৈ অনুষ্ঠিত হোৱা সহকাৰী কাৰ্যবাহী অভিযন্তাসকলৰ অধিৱেশনৰ যোৱা ২১ মে'ত সামৰণি পৰে। তেজপুৰৰ কনভেন্সন চেণ্টাৰত অনুষ্ঠিত হোৱা এই অধিৱেশনখনত জলজীৱন মিছনৰ সম্পদসমূহৰ যত্ন আৰু সেৱা প্ৰদানৰ ক্ষেত্ৰত প্ৰযুক্তিগত উদ্ভাৱন বিষয়ত আলোচনা কৰা হয়।

০০০০

যোৱা ২১ মে'ত সাংস্কৃতিক বৈচিত্ৰ্য দিৱস বিশ্বজুৰি উদযাপন কৰা হয়। আলোচনা আৰু বিকাশৰ লক্ষ্যৰে উদ্‌যাপন কৰা এই দিৱসে বিশ্বৰ বিভিন্ন প্ৰান্তত সাংস্কৃতিক বৈভৱক প্ৰতিফলিত কৰাই নহয় ইয়াৰ দ্বাৰা শান্তি আৰু বহনক্ষমৰ উন্নয়নৰ ক্ষেত্ৰত আন্তঃসাংস্কৃতিক বিনিময়ৰ গুৰুত্ব সন্দৰ্ভতো সজাগতা সৃষ্টি কৰা হয়। বিশ্বৰ সাম্প্ৰতিক ৯০ শতাংশ সংঘাতেই আন্তঃসাংস্কৃতিক বিনিময় বা আলোচনাৰ অভাৱৰ বাবে সৃষ্টি হোৱা বুলি কোৱা হয়। এই ক্ষেত্ৰত শান্তি প্ৰতিষ্ঠা আৰু ফলপ্ৰসূ সহযোগিতাৰ বাবে আন্তঃসাংস্কৃতিক আলোচনাক শক্তিশালী কৰি তোলাত প্ৰাথমিক গুৰুত্ব আৰোপ কৰাৰ প্ৰয়োজন হৈছে।

০০০

যোৱা ২১ মে'ত আন্তৰ্জাতিক চাহ দিৱস উদযাপন কৰা হয়। বিশ্বৰ বিভিন্ন প্ৰান্তৰ মানুহে দৈনন্দিন জীৱন পুৱাৰ একাপ চাহেৰে আৰম্ভ কৰে। চাহে দেহ মনৰ অৱসাদ দূৰ কৰা বুলি কোৱা হয় বাবেই অসমৰ লগতে বিশ্বৰ বিভিন্ন ঠাইৰ মানুহৰ বাবে চাহ আটাইতকৈ প্ৰিয় পানীয় হিচাপে পৰিগণিত হৈ আহিছে। সম্প্ৰতি বজাৰত সাধাৰণ চাহৰ লগতে সেউজ চাহেও জনপ্ৰিয়তা অৰ্জন কৰিছে। স্বাস্থ্য ৰক্ষাৰ দিশত এই চাহৰ গুৰুত্বৰ বিষয়ে উপলব্ধি কৰি স্বাস্থ্য সচেতন লোকসকলে এই চাহ ব্যৱহাৰ কৰা দেখা গৈছে।

০০০০

অসম চৰকাৰে প্ৰায় এহেজাৰ কোটি টকাৰ প্ৰত্যক্ষ মূল্যৰ প্ৰতিভূতি জমা বিক্ৰীৰ বাবে আগবঢ়াইছে। পৰহিলৈ নিৰ্দিষ্ট প্ৰপত্ৰৰ সহায়ত এই মূল্য উদ্ভুত নিলাম ভাৰতীয় ৰিজাৰ্ভ বেংকৰ ক'ৰ বেংকিং ছলুচ্যনত অনুষ্ঠিত হ'ব। অধিক তথ্যৰ বাবে ৰিজাৰ্ভ বেংকৰ ৱেৱছাইটত আজি প্ৰকাশিত প্ৰেছ বিজ্ঞপ্তি চাব পাৰে।

০০০

ভাৰতৰ বিক্ৰান্ত মাল্লিকে পৰ্টুগালৰ লিছবনত অনুষ্ঠিত মিটিং সিডেড দি লিছবোৱা ২০২৪ এথলেটিকছ্ প্ৰতিযোগিতাৰ পুৰুষৰ জেভলিন থ্ৰ'ত খিতাপ অৰ্জন কৰিছে। বিক্ৰান্তে নিজৰ তৃতীয় প্ৰয়াসত ৮০ দশমিক ৩-০ মিটাৰ দলিয়াই এই খিতাপ অৰ্জন কৰে। ২৮ বছৰীয়া মাল্লিকে প্ৰথম আৰু দ্বিতীয় প্ৰয়াসত ক্ৰমে ৭১ দশমিক ৭-৩ আৰু ৭৪ দশমিক ২-৩ মিটাৰ দলিয়াই নিজৰ শিতানত আধিপত্য বৰ্তাই ৰাখে। ইপিনে পুৰুষৰ শ্ব'টপুটত ভাৰতৰ ধনবীৰ সিঙে দ্বিতীয় স্থান দখল কৰে। পুৰুষৰ হেমাৰ থ্ৰ'ত ধনমিত সিঙে ৬৫ দশমিক ৯-৪ মিটাৰ দলিয়াই তৃতীয় স্থানত থাকে।

০০০০

এয়াই আছিল বিগত সপ্তাহত আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰিত স্থান লাভ কৰা বাতৰিসমূহত চমু অৱলোকন। ০০০০

০০০০

**সমাপ্ত**